**অসম চৰকাৰ**
**বিত্ত ( দৰমহা গৱেষণা কোষ ) বিভাগ**
**দ্বিতীয় মহলা, ব্লক – চ, জনতা ভৱন**
**দিছপুৰ::গুৱাহাটী - ৬**
**email ID : financepru2015@gmail.com**

---

**ৰাজ্যপালৰ আদেশ**
**সংকল্প প্ৰস্তাৱ**

ছচিএফ নং. ৬৭৫০৫০/৪৯১ তাৰিখ, দিছপুৰ ২৩ ফেব্ৰুৱাৰী, ২০২৬

অসম চৰকাৰে সপ্তম অসম দৰমহা তথা উৎপাদনশীলতা দৰমহা আয়োগৰ পৰামৰ্শ অনুসৰি ২০১৬ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱা অন্তিম দৰমহা সংশোধনীৰ পৰা বলবৎ হৈ থকা চৰকাৰী কৰ্মচাৰীসকলৰ বেতন আৰু অন্যান্য ভাট্টাৰ (emoluments) গাথঁনিৰ বিস্তৃত পুনৰীক্ষণ কৰাৰ কথা কিছুদিনৰ পৰা বিবেচনা কৰি আহিছে ।

২। চৰকাৰ, বিত্তীয় বহনক্ষমতা সুদৃঢ় কৰা, সেৱা প্ৰদানৰ ফলাফলৰ গুণগত মান উন্নত কৰা আৰু প্ৰশাসনিক কাৰ্য্য দক্ষতা বৃদ্ধি কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ । এইটো বিবেচিত হৈছে যে দৰমহা গাথঁনিৰ সংশোধনী কৰাৰ লগতে মানৱ সম্পদ ব্যৱস্থাপনা, প্ৰযুক্তিৰ ব্যৱহাৰ, ফলাফল ভিত্তিক শাসন ব্যৱস্থা আৰু জনবলৰ যুক্তিসংগত পুনঃবিন্যাসৰ ক্ষেত্ৰত গাথঁনিক সংস্কাৰো একেলগে আগবঢ়াব লাগিব।

৩। চৰকাৰে এইটোও বিবেচনা কৰে যে লোক সেৱা প্ৰদান ব্যৱস্থাত ডিজিটেল প্ৰযুক্তিৰ প্ৰণালীবদ্ধ প্ৰয়োগ, বিত্তীয় ব্যৱস্থাপনা প্ৰণালীৰ সৈতে মানৱ সম্পদ ব্যৱস্থাপনা প্ৰণালী (HRMS) ৰ সংহতকৰণ, পৰিমাপযোগ্য কাৰ্য্যদক্ষতাৰ মানদণ্ড নিৰ্ধাৰণ আৰু সুসংগঠিত প্ৰশিক্ষণ আৰু সামৰ্থ্য বিকাশৰ জৰিয়তে লক্ষ্যভিত্তিক দক্ষতাৰ উন্নয়ন সাধন কৰি প্ৰতিজন কৰ্মচাৰীৰ উৎপাদনশীলতা বৃদ্ধি কৰিব পাৰি। উদ্‌গনিমূলক ৰূপৰেখা, য'ত প্ৰৱৰ্তিত হ'ব, স্পষ্টভাৱে সংজ্ঞায়িত আৰু বস্তুগতভাৱে পৰিমাপযোগ্য মানদণ্ডৰ লগত সংযোগ স্থাপন কৰিব লাগিব আৰু ই ৰাজ্যৰ বিত্তীয় সামৰ্থ্য আৰু অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা অধিনিয়ম, ২০০৫ (Assam Fiscal Responsibility and Budget Management Act, 2005) ৰ উপবন্ধাৱলীৰ সংগত হৈ থাকিব লাগিব ।

৪। তদানুসাৰে, অসমৰ ৰাজ্যপালে নিম্নলিখিতেৰে **অষ্টম অসম দৰমহা আয়োগ, ২০২৬** গঠন কৰিছে :-

| **ক্ৰমিক নং** | **নাম আৰু পদবী** | | **পদ** |
|---|---|---|---|
| (ক) | শ্ৰী সুভাষ চন্দ্ৰ দাস, আই এ এছ, (অৱসৰপ্ৰাপ্ত ) | - | অধ্যক্ষ |
| (খ) | জ্যেষ্ঠতম সচিব , কৰ্মচাৰী বিভাগ | - | সদস্য |
| (গ) | জ্যেষ্ঠতম সচিব, এ আৰ টি পি পি জি বিভাগ | - | সদস্য |
| (ঘ) | জ্যেষ্ঠতম সচিব ,বিত্ত বিভাগ | - | সদস্য |
| (ঙ) | বিধি নিৰ্দেশক তথা আয়ুক্ত আৰু বিশেষ সচিব, ন্যায়িক বিভাগ | - | সদস্য |
| (চ) | বিশেষ সঞ্চালক, বিত্ত (বাজেট) বিভাগ অথবা বিত্ত বিভাগৰ জ্যেষ্ঠতম সচিবৰ দ্বাৰা মনোনীত কোনো বিষয়া | - | সদস্য |
| (ছ) | অধ্যাপক ৰাতুল মহন্ত, গুৱাহাটী বিশ্ববিদ্যালয় | - | বিশেষ আমন্ত্ৰিত সদস্য |
| (জ) | সচিব, বিত্ত ( দৰমহা গৱেষণা কোষ) বিভাগ | - | সদস্য সচিব |

**কাৰ্য্য পৰিসীমাৰ নিবন্ধন (Terms of Reference)**

আয়োগে দৰমহা সংশোধনীক গাঁথনিমূলক সংস্কাৰ, বিত্তীয় বহনক্ষমতা, ডিজিটেল ৰূপান্তৰ, জনবলৰ সৰ্বোত্তম ব্যৱহাৰ আৰু ফলাফল–ভিত্তিক শাসন ব্যৱস্থাৰ সৈতে সংযুক্ত কৰি এক সংস্কাৰমুখী আৰু সামগ্ৰিক দৃষ্টিভংগী গ্ৰহণ কৰিব।

**১। পৰীক্ষণৰ পৰিসৰ**

অষ্টম অসম দৰমহা আয়োগৰ পৰিসীমা নিম্নলিখিত সেৱাসমূহৰ ব্যতিৰেকে ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ দৰমহা আৰু অন্যান্য ভাট্টাৰ গাঁথনি আৰু সেৱাৰ চৰ্তাৱলী পৰীক্ষণৰ মাজতে সীমাবদ্ধ থাকিব:

(ক) সৰ্বভাৰতীয় সেৱাৰ বিষয়াসকল ;

(খ) স্নাতক মহাবিদ্যালয়, অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, নাৰ্ছিং মহাবিদ্যালয়, আয়ুৰ্বেদিক মহাবিদ্যালয়, ফাৰ্মাচী প্ৰতিষ্ঠান, পলিটেকনিক আৰু অন্যান্য অধিসূচিত প্ৰতিষ্ঠানসমূহত ইউজিচি/এ আই চি টি ই / প্ৰযুক্তিগত দৰমহাৰ নিৰিখ অনুসৰি বেতন উপলব্ধ পদসমূহ ;

(গ) শেট্টী আয়োগ (Shetty Commission)/ এছ এন জে পি আয়োগ (SNJPC) ৰ পৰামৰ্শাৱলী অনুসৰি দৰমহা গ্ৰহণ কৰি থকা ন্যায়িক সেৱাৰ বিষয়াসকল।

**২। দৰমহা গাঁথনি আৰু বিত্তীয় বহনক্ষমতা**

নিম্নলিখিত বিষয়সমূহ বিবেচনা কৰি, ন্যায়সংগত, কাৰ্য্যদক্ষতা-মুখী আৰু বিত্তীয় বহনক্ষম পদ্ধতি অৱলম্বন কৰি দৰমহা, ভাট্টা আৰু সেৱাৰ চৰ্তাৱলী পৰীক্ষণ কৰি সংশোধনীৰ বিষয়ে পৰামৰ্শ আগবঢ়াব :

(ক) অসমৰ দৰমহাৰ গাঁথনিৰ ঐতিহাসিক ক্ৰমবিকাশ ;

(খ) ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰত প্ৰচলিত সমষ্টিবাদী-অৰ্থনৈতিক পৰিস্থিতিসমূহ ;

(গ) উন্নয়ন পৰিকল্পনাৰ প্ৰভাৱ আৰু নিয়োগ বিস্তাৰ ;

(ঘ) ৰাজ্যৰ ৰাজহ সম্পদ আৰু মধ্য–কালীন বিত্তীয় ৰূপৰেখা;

(ঙ) অষ্টম কেন্দ্ৰীয় দৰমহা আয়োগৰ (8th Central Pay Commission) পৰামৰ্শাৱলী, যেতিয়া উপলব্ধ হ'ব;

(চ) অসম বিত্তীয় দায়বদ্ধতা আৰু বাজেট ব্যৱস্থাপনা অধিনিয়ম, ২০০৫ ৰ উপবন্ধাৱলী ;

(ছ) বিকল্প ৰূপায়ণ পৰিস্থিতি সাপেক্ষে বৰ্ষভিত্তিক বিত্তীয় প্ৰভাৱ প্ৰক্ষেপণ ;

(জ) নগদ ধন প্ৰৱাহ ব্যৱস্থাপনাৰ প্ৰয়োজনীয়তা আৰু ঋণ বহনক্ষমতাৰ মানদণ্ড ।

আয়োগে বিশদ বিত্তীয় প্ৰভাৱৰ আৰ্হি উপবন্ধিত কৰিব আৰু প্ৰয়োজনসাপেক্ষে পৰ্য্যায়ক্ৰমে বা স্তৰ ভিত্তিক ৰূপায়ণৰ বিকল্পৰ পৰামৰ্শ দিব।

**৩। শূণ্য-ভিত্তিক জনবল পুনৰীক্ষণ আৰু সাংগঠনিক সংস্কাৰ।**

কেডাৰ গাঁথনি আৰু সাংগঠনিক ব্যৱস্থাপনাসমূহ পুনৰীক্ষণ কৰি নিম্নলিখিত বিষয়সমূহৰ ক্ষেত্ৰত কাৰ্য্যব্যৱস্থা গ্ৰহণৰ বাবে পৰামৰ্শ আগবঢ়াব :

(ক) কামৰ বোজাৰ যুক্তি সংগত পুনৰ্বিন্যাস ;

(খ) শূণ্য-ভিত্তিক জনবল মূল্যায়ন আৰু পদসমূহৰ নিয়মিত পৰ্য্যায়ক্ৰমিক (Sunset) মূল্যাংকন;

(গ) অপ্ৰয়োজনীয়, প্ৰতিৰূপ বা নিষ্ক্ৰিয় পদসমূহৰ বিলুপ্তিকৰণ ;

(ঘ) মানৱ সম্পদৰ সৰ্বোত্তম ব্যৱহাৰ ;

(ঙ) প্ৰযুক্তি গ্ৰহণ আৰু ই-শাসন ব্যৱস্থা (e-Governance) ৰ প্ৰয়োগৰ প্ৰেক্ষাপটত পদসমূহৰ পুনৰ্গঠন;

(চ) মূল চৰকাৰী কাৰ্য্যসমূহ নিয়মীয়া কেডাৰৰ ভিতৰত ৰাখি বাহিৰৰ পৰা সেৱা গ্ৰহণ (Outsourcing) ৰ বাবে উপযোগী কাৰ্য্যসমূহৰ চিনাক্তকৰণ ;

(ছ) ডিজিটেল জনবল নিৰীক্ষণ আৰু প্ৰতিষ্ঠানিক নিয়ন্ত্ৰণ ব্যৱস্থা ।

**৪। ভাট্টা আৰু সেৱাৰ চৰ্তাৱলীৰ পুনৰীক্ষণ।**

ৰাজ্য চৰকাৰৰ কৰ্মচাৰীসকলৰ বাবে উপলব্ধ বিদ্যমান সুবিধা, ভাট্টা আৰু নিম্নলিখিতসমূহক অন্তৰ্ভুক্ত কৰি সেৱাৰ চৰ্তাৱলী পুনৰীক্ষণ কৰা :

(ক) জনসংখ্যাগত বিৱৰণ আৰু বিত্তীয় প্ৰভাৱসমূহ যথোচিতভাৱে বিবেচনা কৰি অৱসৰৰ বয়স ;

(খ) মৃত্যু-ও-অৱসৰকালীন সুবিধাসমূহ;

(গ) বিশেষ বেতন;

(ঘ) ক্ষতিপূৰণমূলক আৰু দুৰ্ভোগ ভাট্টা;

(ঙ) চিকিৎসা সুবিধাসমূহ ;

(চ) যাতায়ত আৰু দৈনিক ভাট্টাসমূহ ;

(ছ) এক পঞ্জিকা বৰ্ষত চৰকাৰী বন্ধৰ সংখ্যা;

(জ) অন্যান্য সংশ্লিষ্ট বিষয়সমূহ ।

**৫। অৱসৰী বেতন আৰু মৰগীয়া ভাট্টা (Dearness Relief) ৰ ৰূপৰেখা**

ৰাজ্য চৰকাৰৰ অৱসৰী বেতনভোগী আৰু পৰিয়াল অৱসৰী বেতনভোগীসকলক প্ৰদান কৰা ভাট্টা, বিশেষকৈ উপভোক্তা মূল্য সূচকৰ পৰিৱৰ্তনৰ সৈতে জড়িত বিষয়সমূহ নিয়ন্ত্ৰণ কৰা নীতিসমূহ পৰীক্ষণ কৰা আৰু বিত্তীয় বহনক্ষমতাৰ সৈতে সামঞ্জস্য ৰাখি মৰগীয়া ভাট্টা, অৱসৰী বেতন সংশোধনীৰ উপযুক্ত ব্যৱস্থা আৰু সংশ্লিষ্ট বিষয়সমূহৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা ।

**৬। আধুনিক দৰমহাৰ গাঁথনি**

এক আধুনিক ক্ষতিপূৰণ ৰূপৰেখাৰ পৰামৰ্শ আগবঢ়োৱা, যিয়ে–

(ক) চৰকাৰী সেৱাত উপযুক্ত প্ৰতিভাসমূহক আকৰ্ষিত আৰু নিযুক্ত কৰি ৰাখে ;

(খ) দক্ষতা, দায়বদ্ধতা, সততা আৰু সংবেদনশীলতাৰ বিকাশ সাধন কৰে ;

(গ) পাৰদৰ্শিতা-ভিত্তিক মানৱ সম্পদ উন্নয়ন সমৰ্থন কৰে ;

(ঘ) ডিজিটেল সঁজুলি আৰু পৰিমাপসাধ্য কাৰ্য্যপদ্ধতি গ্ৰহণত উৎসাহ যোগায় ;

(ঙ) পৰিৱৰ্তনশীল সেৱাৰ প্ৰয়োজনীয়তাসমূহৰ সৈতে দক্ষতা আৰু পেছাগত বিকাশৰ সামঞ্জস্য ৰাখে ;

(চ) উলম্ব আৰু সমান্তৰালভাৱে আপেক্ষিক যথাৰ্থ সমতা সুনিশ্চিত কৰি অযুক্তিকৰ দৰমহাৰ বৈষম্য পৰিহাৰ কৰে।

**৭। কৰ্মদক্ষতা-সংলগ্ন উদ্‌গনিমূলক সহায়ৰ ৰূপৰেখা**

কৰ্মদক্ষতা-সংলগ্ন উদ্‌গনিমূলক সহায়ৰ বাবে নীতি আৰু বিত্তীয় স্থিৰাংকসমূহৰ সন্দৰ্ভত পৰামৰ্শ দিয়া, যি:

(ক) বিভাগ-বিনিৰ্দিষ্ট মুখ্য কাৰ্য্যদক্ষতা সূচক (KPIs) ৰ ওপৰত আধাৰিত ;

(খ) ডিজিটেল ডেশ্বৰ্বোৰ্ড (Digital Dashboard) আৰু সত্যাপনযোগ্য মাপকাঠিৰ জৰিয়তে পৰিমাপযোগ্য ;

(গ) উৎপাদনশীলতা, উদ্ভাৱন আৰু সেৱা প্ৰদানৰ ফলাফলসমূহক পুৰস্কৃত কৰে;

(ঘ) স্বয়ংক্ৰিয় অধিকাৰ উপবন্ধিত নকৰে;

(ঙ) বাৰ্ষিক বিত্তীয় সামৰ্থ্য আৰু চৰকাৰী অধিসূচনা সাপেক্ষ হয় ।

**৮। মানৱ সম্পদৰ ডিজিটেলকৰণ আৰু প্ৰণালীসমূহৰ সমন্বয় সাধন**

বিদ্যমান মানৱ সম্পদ ব্যৱস্থাপনা প্ৰণালীসমূহ পুনৰীক্ষণ কৰি নিম্নলিখিত বিষয়সমূহৰ ক্ষেত্ৰত পৰামৰ্শ আগবঢ়োৱা:

(ক) সেৱা–অভিলেখ আৰু দৰমহা ব্যৱস্থাৰ সম্পূৰ্ণ ডিজিটেলকৰণ ;

(খ) মানৱ সম্পদ ব্যৱস্থাপনা প্ৰণালী (HRMS) ক ৰাজকোষ আৰু সংহত বিত্তীয় ব্যৱস্থাপনা প্ৰণালীৰ সৈতে সংহতকৰণ ;

(গ) ছুটি, পদোন্নতি, অৱসৰী বেতন আৰু দৰমহা ব্যৱস্থাপনাৰ বাস্তৱসন্মত অনুসৰণ ;

(ঘ) ই-এপিএআৰ (e-APAR) আৰু ডিজিটেল কৰ্মদক্ষতা নিৰীক্ষণ প্ৰণালী ;

(ঙ) মানৱ সম্পদ আৰু দৰমহা ব্যৱস্থাপনাত অনিয়ম প্ৰতিৰোধ আৰু স্বচ্ছতা সুনিশ্চিত কৰাৰ ব্যৱস্থা।

**৯। ঠিকা আৰু আচঁনি – ভিত্তিক কৰ্মচাৰী**

যদিহে চৰকাৰে বিশেষভাৱে অধিসূচনা জাৰি নকৰে, তেন্তে নিয়মিত চৰকাৰী কেডাৰৰ সৈতে স্বয়ংক্ৰিয় বা বলবৎযোগ্য সমতা সৃষ্টি নকৰাকৈ, ঠিকাভিত্তিক কৰ্মচাৰী, আচঁনি–ভিত্তিক কৰ্মচাৰী, সমিতিসমূহৰ কৰ্মচাৰীবৰ্গ, সঞ্চালকালয়, এছপিভিএছ (SPVs) আৰু ৰাজ্যিক বাজেট বৰ্হিভুত বহিঃসাহাৰ্য্যপ্ৰাপ্ত প্ৰকল্পৰ গোটসমূহৰ দৰমহা গাঁথনি আৰু বাৰ্ষিক বৃদ্ধিৰ নিৰ্ধাৰণৰ বাবে বিস্তৃত নীতিসমূহৰ সন্দৰ্ভত পৰামৰ্শ আগবঢ়োৱা ।

**১০। নমনীয় আৰু আধুনিক কৰ্ম-পদ্ধতি**

উপযুক্ত সেৱাৰ শ্ৰেণীসমূহত নমনীয় কৰ্ম বিন্যাস, ডিজিটেল উপস্থিতি ব্যৱস্থা আৰু ফলাফল-ভিত্তিক কৰ্ম–আৰ্হিৰ যথোপযুক্ততা পৰীক্ষা কৰা।

**১১। বকেয়া আৰু ৰূপায়ণ পদ্ধতি**

বিত্তীয় বহনক্ষমতা আৰু ৰাজ্যৰ মধ্য–কালীন সম্পদ অৱস্থাৰ সৈতে সামঞ্জস্যপূৰ্ণ পৰ্য্যায়ক্ৰমিক বা বিলম্বিত ৰূপায়ণৰ বিকল্পসমূহ অন্তৰ্ভুক্ত কৰি, দৰমহা সংশোধনীৰ ফলত উদ্ভৱ হোৱা বকেয়া পৰিশোধৰ বাবে পদ্ধতিসমূহৰ বিষয়ে পৰামৰ্শ আগবঢ়োৱা ।

**১২। অন্যান্য বিষয়সমূহ**

আয়োগৰ কাৰ্য্যকাল চলি থকা সময়ছোৱাত ৰাজ্য চৰকাৰে বিশেষভাৱে প্ৰসংগ উল্লেখ কৰা কোনো অন্যান্য বিষয় পৰীক্ষণ কৰি পৰামৰ্শাৱলী আগবঢ়োৱা।

**কাৰ্য্যপ্ৰক্ৰিয়া**

আয়োগে নিজৰ কাৰ্য্যপ্ৰক্ৰিয়া নিজে নিৰ্ধাৰণ কৰিব পাৰিব আৰু প্ৰয়োজনীয় বুলি বিবেচিত হ'লে উপদেষ্টা, প্ৰতিষ্ঠানিক পৰামৰ্শদাতা আৰু বিশেষজ্ঞ নিযুক্তি দিব পাৰিব । ৰাজ্য চৰকাৰৰ অধীনস্থ সকলো বিভাগ আৰু কাৰ্য্যালয়ে আয়োগে বিচৰা তথ্য আৰু সহায় আগবঢ়াব লাগিব ।

**মুখ্য কাৰ্য্যালয় আৰু কাৰ্য্যকাল**

আয়োগৰ মুখ্য কাৰ্য্যালয় গুৱাহাটী, অসমত হ'ব । চৰকাৰে সময়সীমা বৃদ্ধি নকৰিলে, আয়োগে ইয়াৰ প্ৰতিবেদন যথাসম্ভৱ শীঘ্ৰে , ইয়াৰ গঠনৰ তাৰিখৰ পৰা, অগ্ৰাধিকাৰভিত্তিক ওঠৰ(১৮) মাহৰ ভিতৰত দাখিল কৰিব লাগিব।

**আদেশ**

এইটো নিৰ্দেশিত হৈছে যে সংকল্প প্ৰস্তাৱটো অসম ৰাজপত্ৰত প্ৰকাশ কৰা হওঁক।

তদুপৰি ৰাজ্য চৰকাৰৰ সকলো বিভাগ, সকলো বিভাগীয় মুৰব্বী, জিলা আয়ুক্ত, সম-জিলা আয়ুক্ত আৰু মহকুমা বিষয়া আদিলৈ সংকল্প প্ৰস্তাৱৰ এক প্ৰতিলিপি প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়া হ'ল।

স্বাক্ষৰিত,
Sd/-
মালবিকা চৌধুৰী
সচিব,
বিত্ত (দৰমহা গৱেষণা কোষ) বিভাগ, অসম চৰকাৰ

স্মাৰক নং ৬৭৫০৫০/৪৯১-ক তাৰিখ, দিছপুৰ ২৩ ফেব্ৰুৱাৰী, ২০২৬

নিম্নলিখিতলৈ তথ্যৰ বাবে প্ৰতিলিপি প্ৰেৰণ:-

১। অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ অতিৰিক্ত মুখ্য সচিব ।

২। অসমৰ মুখ্য সচিবৰ ষ্টাফ বিষয়া, তথ্যৰ বাবে ।

৩। অধ্যক্ষ/ সদস্য, অষ্টম দৰমহা আয়োগ, ২০২৬, তথ্য আৰু বিবেচনাৰ্থে।

৪। অসম চৰকাৰৰ সকলো অতিৰিক্ত মুখ্য সচিব/প্ৰধান সচিব / আয়ুক্ত আৰু সচিব/সচিব ।

৫। সকলো বিভাগৰ মুৰব্বী।

৬। সকলো জিলা আয়ুক্ত /সম-জিলা আয়ুক্ত/মহকুমা বিষয়া (অসামৰিক)।

৭। সঞ্চালক, ছপা আৰু লিখন সামগ্ৰী, অসম চৰকাৰী প্ৰেছ, বামুনীমৈদাম, গুৱাহাটী-২১।
ইয়াৰ দ্বাৰা তেওঁক অসম ৰাজপত্ৰৰ এক অতিৰিক্ত সাধাৰণ সংখ্যাত এই সংকল্প প্ৰস্তাৱ প্ৰকাশ কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

৮। সঞ্চালক, তথ্য আৰু জনসংযোগ, ব্যাপক প্ৰচাৰৰ বাবে ।

৯। কণ্টেণ্ট প্ৰৱন্ধক, বিত্ত (দৰমহা গৱেষণা কোষ) বিভাগ, বিত্ত বিভাগৰ ৱেবছাইটত আপলোড কৰাৰ বাবে।

আদেশানুক্ৰমে,

স্বাক্ষৰিত,

বুবুল দাস
অৱৰ সচিব,
বিত্ত (দৰমহা গৱেষণা কোষ) বিভাগ, অসম চৰকাৰ